# ৰাষ্ট্ৰীয় দিৱস

## Chapter – 4

## পৰিৱেশ অধ্যয়ন

**১। তোমালোকে বিদ্যালয়ত শিক্ষক দিৱসৰ দিনটো কিদৰে পালন কৰা লিখা ।**

**উত্তৰঃ** আমি বিদ্যালয়ত শিক্ষক দিৱসৰ দিনটো অতি ধোম – ধামেৰে পালন কৰো । কাৰণ সেইদিনা ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতি তথা মহান শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্ম হৈছিল । সেইদিনটোত আমি সকলোবোৰ ছাত্ৰ – ছাত্ৰী লগ লাগি শিক্ষক – শিক্ষয়িত্ৰীসকলক সন্মান জনাবলৈ বিভিন্ন কাৰ্যসূচী পালন কৰো ।

**২। তোমালোকে বিদ্যালয়ত শিশু দিৱসৰ দিনটো কিদৰে পালন কৰা লিখা ।**

**উত্তৰঃ** ১৪ নৱেম্বৰ ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো শিশুদিৱস হিচাপে পালন কৰা হয় । সেইদিনা আমাৰ বিদ্যালয়ত ছাত্ৰ – ছাত্ৰীসকলৰ মাজত চিত্ৰাঙ্কন প্ৰতিযোগিতা , কুইজ প্ৰতিযোগিতা , আকস্মিক বক্তৃতা আদি পতা হয় ।

## অনুশীলনী

**১। উত্তৰ লিখা –**

**( ক ) ভাৰতৰ জাতীয় পতাকাখনক কিয় ত্ৰিৰংগ পতাকা বুলি কোৱা হয় ?**

**উত্তৰঃ** ভাৰতৰ জাতীয় পতাকাখনত তিনিটা ৰং থকা বাবে ত্ৰিৰংগ বুলি কোৱা হয়।

**( খ ) জাতীয় প্ৰতীকৰ মোহৰটো আমি ক'ত ক'ত ব্যৱহাৰ কৰোঁ ?**

**উত্তৰঃ** জাতীয় প্ৰতীকৰ মোহৰটো আমি চৰকাৰী কাগজ – পত্ৰ , ডাক টিকট , পোষ্টকাৰ্ড আদিত ব্যৱহাৰ কৰো।

**( গ ) ভাৰতবৰ্ষই কোন তাৰিখে স্বাধীনতা দিৱস উদ্‌যাপন কৰে ?**

**উত্তৰঃ** ১৫ আগষ্ট দিনটো সমগ্ৰ ভাৰতবৰ্ষই স্বাধীনতা দিৱস হিচাপে উদ্‌যাপন কৰে।

**( ঘ ) জাতীয় পতাকাখনৰ ব্যৱহাৰৰ তিনিটা নিয়ম লিখা ।**

**উত্তৰঃ** জাতীয় পতাকাখনৰ ব্যৱহাৰৰ নিয়ম তিনিটা হ’ল :

( ১ ) সূৰ্য উদয় হোৱাৰ পিছত পতাকাখন উত্তোলন কৰিব লাগে আৰু সূৰ্য অস্ত যোৱাৰ আগতে নমাব লাগে ।

( ২ ) জাতীয় পতাকাখন উত্তোলন কৰোঁতে গেৰুৱা ৰংটো সদায় ওপৰত থাকিব লাগে ।

( ৩ ) পতাকাখন ঘৰ বা আন কোনো ঠাইত যেনে – তেনে ওলোমাই থব নালাগে ।

**( ঙ ) জাতীয় পতাকা উত্তোলন কৰা দুটা দিৱসৰ নাম লিখা ।**

**উত্তৰঃ** জাতীয় পতাকা উত্তোলন কৰা দিৱস দুটা হ’ল- ১৫ আগষ্ট আৰু ২৬ জানুৱাৰী ।

**২। জাতীয় পতাকাৰ ৰং কেইটাই কি বুজায় ? ‘ ক ’ অংশৰ লগত ‘ খ ’ অংশ মিলোৱা—**

| **‘ ক ’** | **‘ খ ’** |
|---|---|
| **সেউজীয়া** | **ত্যাগ , দেশপ্ৰেম আৰু সাহসৰ প্ৰতীক।** |
| **বগা** | **কৃষি আৰু প্ৰগতিৰ প্ৰতীক।** |
| **গেৰুৱা** | **আকাশ আৰু সমুদ্ৰক বুজায়।** |
| **গাঢ় নীলা** | **সত্য আৰু শান্তিৰ প্ৰতীক।** |

**উত্তৰঃ**

| **‘ ক ’** | **‘ খ ’** |
|---|---|
| সেউজীয়া | কৃষি আৰু প্ৰগতিৰ প্ৰতীক। |
| বগা | সত্য আৰু শান্তিৰ প্ৰতীক। |
| গেৰুৱা | ত্যাগ , দেশপ্ৰেম আৰু সাহসৰ প্ৰতীক। |

| | |
|---|---|
| গাঢ় নীলা | আকাশ আৰু সমুদ্ৰক বুজায়৷ |

**৩। খালী ঠাই পূৰ কৰা –**

**( ক ) মহাত্মা গান্ধীৰ জন্মদিনটো ____ হিচেপে পালন কৰা হয়।**

**উত্তৰঃ** মহাত্মা গান্ধীৰ জন্মদিনটো গান্ধী জয়ন্তী হিচাপে পালন কৰা হয়।

**( খ ) জৱাহৰলাল নেহৰু শিশুসকলৰ মাজত ____ বুলি পৰিচিত ।**

**উত্তৰঃ** জৱাহৰলাল নেহৰু শিশুসকলৰ মাজত নেহৰু খুড়া বুলি পৰিচিত।

**( গ ) ২৬ জানুৱাৰীত ___ পালন কৰা হয় ।**

**উত্তৰঃ** ২৬ জানুৱাৰীত গণতন্ত্ৰ দিৱস পালন কৰা হয় ।

**( ঘ ) ___ জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয় ।**

**উত্তৰঃ** ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয় ।

**( ঙ ) আমাৰ জাতীয় প্ৰতীকটোক ____ বোলে ।**

**উত্তৰঃ** আমাৰ জাতীয় প্ৰতীকটোক অশোক স্তম্ভ বোলে ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। অশোক চক্ৰটোত কেইডাল দণ্ড আছে ?**

**উত্তৰঃ** অশোক চক্ৰটোত ২৪ ডাল দণ্ড আছে ।

**২। জাতীয় প্ৰতীকটোৰ চকাটো কোন খিনিত থাকে ?**

**উত্তৰঃ** জাতীয় প্ৰতীকটোৰ চকাটো সিংহকেইটাৰ তলত থাকে ।

**৩। গণতন্ত্ৰ দিৱসৰ দিনা ত্ৰিৰংগ পতাকা কোনে আৰু ক'ত উত্তোলন কৰে ?**

**উত্তৰঃ** গণতন্ত্ৰ দিৱসৰ দিনা দিল্লীত ৰাষ্ট্ৰপতিয়ে পতাকা উত্তোলন কৰে ।

**৪। আমাৰ দেশত ' জাতিৰ পিতা ' বুলি কাক আখ্যা দিয়া হৈছে ?**

**উত্তৰঃ** মহাত্মা গান্ধীক আমাৰ দেশত ' জাতিৰ পিতা ' বুলি আখ্যা দিয়া হৈছে ।

**৫। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ কোন আছিল ?**

**উত্তৰঃ** ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ ভাৰতৰ দ্বিতীয়জন ৰাষ্ট্ৰপতি আছিল । তেখেত এজন শিক্ষক তথা মহান শিক্ষাবিদ আছিল ।